# অধ্যায় - ২

# সহযোগী ধাৰণা কেইবিধমান

---

## (ক ) পাঠভিত্তিক অতি চমু প্রশ্নোত্তৰ :-

### ১। পণ্য বিনিময় প্ৰথা মানে কি ?

উত্তৰঃ এজন ব্যক্তিয়ে নিজৰ বস্তুৰ সলনি আন এজনৰ বস্তু সলাই লোৱাকে বা এজন ব্যক্তিয়ে অন্য এজন ব্যক্তিৰ সৈতে বস্তুৰ সালসলনি কৰি লোৱাকে বিনিময় প্ৰথা বোলে I বিনিময় প্ৰথাত এবিধ বস্তু পোনে পোনে আন এবিধ বস্তুৰ লগত সলাই লোৱা হয় I অৰ্থাৎ বস্তুৰ সলনি প্ৰত্যক্ষভাৱে বস্ত সলাই আদান - প্ৰদান কৰা হয় I

### ২ I বিনিময় প্ৰথাৰ অসুবিধাবোৰ কি কি ?

উত্তৰঃ বিনিময় প্ৰথাৰ প্ৰধান অসুবিধাবোৰ হ’ল—

( ক ) অভাৱৰ সংগতিহীনতা I

( খ ) মূল্যৰ উমৈহতীয়া ( বা সাধাৰণ ) জোখৰ অভাৱ I

( গ ) বিভাজনৰ অসুবিধা I

( ঘ ) সঞ্চয়ৰ অসুবিধা I

### ৩। প্ৰত্যক্ষ বিনিময়ৰ অৰ্থ লিখা I

উত্তৰঃ কোনো বস্তু পোনে পোনে আন কোনো বস্তুৰ পৰিৱৰ্তে সলনি কৰি লোৱা ব্যৱস্থাকে প্ৰত্যক্ষ বিনিময় বা পন্য বিনিময় প্ৰথা বোলে । এই প্ৰথা অনুযায়ী কোনো ব্যক্তিয়ে তেওঁৰ অতিৰিক্ত পন্যবস্তু অইন এজন ব্যক্তিক দি তেওঁৰ পৰা অন্য কোনো পন্য বস্তু সলনি কৰি লয় । উদাহৰণস্বৰূপে , কৃষকে ধান বা চাউলৰ বিনিময়ত শিপিনীৰ কাপোৰ , কামাৰৰ দা কুঠাৰ , কপাহ খেতিয়কৰ পৰা কপাহ ইত্যাদি বস্তু প্ৰত্যক্ষভাৱে সলাই লোৱা ব্যৱস্থাকে প্ৰত্যক্ষ বিনিময় প্ৰথা বোলে ।

## ৪। অভাৱৰ সংগতিহীনতা বুজাই লিখা ।

উত্তৰঃ বিনিময় প্ৰথাৰে বস্তুৰ সাল - সলনি কৰিবলৈ হ'লে বিনিময়কাৰী ব্যক্তি দুজনৰ অভাৱৰ মিল বা সংগতি থাকিব লাগিব । তেতিয়াহে বিনিময় সম্ভৱ হ'ব । এটা উদাহৰণৰ দ্বাৰা এই কথাটো বুজিব পাৰি - ধৰা হ'ল - 'ক’ নামৰ কৃষক ব্যক্তি জনৰ কাপোৰৰ অভাব । তেওঁ নিজৰ ধান বা চাউলৰ সলনি কাপোৰে ল'ব বিচাৰে 'ক’ নামৰ কৃষকজনৰ অভাৱ মোচন হ’ব যদিহে কাপোৰ দিব পৰা এগৰাকী শিপিনীক লগ পায় যিজনীৰ কাপোৰে 'ক’ কৃষকৰ অভাৱ দূৰ কৰিব পাৰে আকৌ , শিপিনীয়ে নিজৰ কাপোৰ চাউলৰ সলনি বিনিময় কৰিবলৈ ইচ্ছা কৰে । বা শিপিনীৰ চাউলৰ অভাৱ থাকে । যেতিয়ালৈকে ‘ক’ কৃষক আৰু শিপিনীৰ প্ৰয়োজনৰ মিল নহয় , তেতিয়ালৈকে বিনিময় সম্পূৰ্ণ হ’ব নোৱাৰে ।

## ৫। মূল্যৰ উমৈহতীয়া জোখৰ অভাৱ কিদৰে দূৰ হয় ?

উত্তৰঃ বিনিময়কাৰীৰ মাজত অভাৱৰ সংগতি থাকিলেও বিনিময় কাৰ্য্য সম্পন্ন কৰাত অসুবিধাই দেখা দিয়ে । কাৰণ পণ্যবস্তু সমূহৰ কোনো উমৈহতীয়া জোখৰ অভাৱ । উদাহৰণস্বৰূপে কৃষকৰ চাউলৰ প্ৰয়োজন থকা শিপিনী বিচাৰি পাইছে আৰু সেই শিপিনীয়েও চাউল - লবলৈ ইচ্ছা প্ৰকাশ কৰিলেও চাউল আৰু কাপোৰৰ মাজত নিৰ্দিষ্ট কোনো অনুপাত নথকাত বিনিময় কৰাত অসুবিধাই দেখা দিয়ে । কিয়নো কিমান পৰিমাণৰ চাউলৰ সলনি বা কেনে ধৰণৰ কাপোৰ সলনি কৰিব ইয়াক লৈ সমস্যাৰ সৃষ্টি হোৱা দেখা যায় । ইয়াৰ ফলত দুবিধ বস্তুৰ বিনিময়

অনুপাত একে ঠাইতে একে সময়তে ভিন ভিন বিনিময় কাৰীৰ মাজত ভিন ভিন হোৱা দেখা যায় । কিন্তু মুদ্ৰা প্ৰচলন হোৱাত এই অসুবিধা আঁতৰ হ'ল কাৰণ মুদ্ৰাই সকলো মূল্যৰ উমৈহতীয়া জোখৰ কাম কৰে ।

৬। বিনিময় প্ৰথাত সঞ্চয় কৰাৰ অসুবিধা কি ?

উত্তৰঃ পন্য বিনিময় প্ৰথাৰ অন্য এক প্ৰধান অন্তৰায় হৈছে সঞ্চয়ৰ অসুবিধা । মানুহে আয় উপাৰ্জন কেৱল তাৎকালীন ব্যৱহাৰৰ বাবেই নকৰি ভবিষ্যতে দেখা দিব পৰা আপদৰ কাৰণেও কিছু অংশ সঞ্চয় কৰিব বিচাৰে । কিন্তু বিনিময় প্ৰথাত এইটো সম্ভৱ হোৱা নাছিল । এই প্ৰথাত সঞ্চয় কৰিবলৈ হ'লে জীৱ জন্তু , ধান , সৰিয়হ , শাক - পাচলি ইত্যাদি পণ্য সমূহ সঞ্চয় কৰি ৰাখিব লাগিব । কিন্তু এইবোৰ সঞ্চয় কৰি ৰখাটো অসুবিধাজনক । জীৱ জন্তু বেমাৰ আজাৰ হৈ মৰে , শাক - পাচলি আদি অতি সোনকালে নষ্ট হয় । ধান সৰিয়হ আদি পোকে খাই নষ্ট কৰে । অথাৎ ভবিষ্যত বিপদ আপদৰ কাৰণে , দীৰ্ঘ কালীন সময়ৰ কাৰণে সঞ্চয় কৰিব নোৱাৰি । কিন্তু মুদ্ৰা প্ৰচলন হোৱাত সঞ্চয়ৰ অসুবিধা দূৰ হয় ।

৭। অবিভাজ্যৰ অসুবিধা বিনিময়ত অন্তৰায় কি দৰে হয় লিখা ।

উত্তৰঃ বিনিময় প্ৰথাত বিনিময়কাৰী দুজনৰ অভাৱৰ মিল হ'ব পাৰে । ইপিনে সলনি অনুপাত স্থিৰ হ'ব পাৰে । তথাপি বিনিময়ত অসুবিধা হ'ব পাৰে । ধৰা হ'ল - পশুপালকে এটা ছাগলীৰ সলনি শ্ৰী কৃষকৰ চাউল আৰু শ্ৰীমতি শিপিনীৰ গামোচা ল'ব ইচ্ছা কৰে । কিন্তু ছাগলী দুভাগ কৰি এজনৰ পৰা চাউল আৰু আন এজনীৰ পৰা কাপোৰ লোৱা বৰ জটিল । কাৰণ ছাগলী কাটি দুভাগ কৰিলে মাংসহে দিব পাৰি , জীৱিত ছাগলী দিব নোৱাৰি । ছাগলী ল'ব খোজা মানুহে মাংস ল'ব ইচ্ছা নকৰিব । গতিকে পশুপালকে ছাগলীৰ বিভাজন কৰি চাউল আৰু গামোচা ল'ব নোৱাৰে । ছাগলী অবিভাজ্য হোৱা হেতুকে বিনিময় সম্পন্ন নহ'ব । কিন্তু ছাগলীটো মুদ্ৰাৰ বাবে বিক্ৰী কৰি , সেই মূল্যৰে কাপোৰ আৰু চাউল সহজে সংগ্ৰহ কৰিব পাৰি ।

৮ । মুদ্ৰাস্ফীতি কাক বোলে ?

উত্তৰঃ সাধাৰণ অৰ্থত প্ৰায় সকলো বস্তু বাহিনীৰ দৰ কম বেছি পৰিমাণে অবিৰতভাৱে উৰ্দ্ধমুখী হৈ থাকিলে তেনে পৰিস্থিতিক মুদ্ৰাস্ফীতি বুলিব পাৰি । অৰ্থনীতিবিদ ক্ৰাউমাৰৰ মতে , " মুদ্ৰামুল্য কমি গৈ দৰস্তুৰ বৃদ্ধি পোৱা পৰিস্থিতিয়ে হ'ল মুদ্ৰাস্ফীতি । " অধ্যাপক পিগুৰ মতে বস্তুগত আয় উপাৰ্জনৰ অনুপাত মুদ্ৰাগত আয়ৰ সম্প্ৰসাৰণ অধিক হলে মুদ্ৰাস্ফীতি বিৰাজ কৰে ।

৯। মুদ্ৰাস্ফীতিৰ মূল কাৰণ কি ?

উত্তৰঃ মুদ্ৰাস্ফীতি মূলতঃ দুটা কাৰণত সংঘটিত হয় । সেইয়া হৈছে–

( ক ) পণ্যবস্তু আৰু সেৱাৰ চাহিদা বৃদ্ধি । আৰু

( খ ) অৰ্থনীতিত পণ্যবস্তুৰ যোগান হ্ৰাস ।

**( খ ) চমু প্ৰশ্নৰ উত্তৰ :**

১। মুদ্ৰাস্ফীতি হোৱাৰ কাৰণ কি বুজাই লিখা ।

উত্তৰঃ চাহিদা আৰু যোগান ভাৰসাম্যহীনহৈ মুদ্ৰাস্ফীতি হয় । মুদ্ৰাস্ফীতি মূলতঃ দুটা কাৰণত সংঘটিত হয় । সেইবোৰ হ'ল–

( ক ) পণ্য বস্তু আৰু সেৱাৰ চাহিদা বৃদ্ধি । আৰু

( খ ) অৰ্থনীতিত পণ্যবস্তুৰ যোগান হ্ৰাস ।

অৰ্থনীতিত চাহিদা বৃদ্ধিৰ কাৰণ হ'ল —

( ক ) মুদ্ৰাৰ যোগান বৃদ্ধি ।

( খ ) চৰকাৰী ব্যয় বৃদ্ধি ৷

( গ ) ৰপ্তানি বৃদ্ধি ৷

( ঘ ) জনসংখ্যাৰ দ্ৰুত বৃদ্ধি ৷ আৰু

( ঙ ) কৰৰ পৰিমাণ হ্ৰাস ৷

যোগান হ্ৰাসৰ কাৰণসমূহ হ'ল —

( ক ) উৎপাদনৰ উপাদানসমূহৰ নাটনি ৷

( খ ) প্ৰাকৃতিক দুৰ্যোগ ৷

( গ ) কৃত্ৰিম নাটনি ৷

( ঘ ) ৰূপ্তানি বৃদ্ধি ৷ আৰু

( ঙ ) যুদ্ধ বা মহাসমৰ ৷

২। মুদ্ৰাস্ফীতিৰ ফলাফলে উৎপাদন কেনেকৈ প্ৰভাৱান্বিত কৰে ?

উত্তৰঃ অৰ্থ ব্যৱস্থাৰ ভূমি , শ্ৰমিক , পুজি আদিৰ পূৰ্ণ নিয়োগ পোৱাৰ পূৰ্বে মৃদুগতিৰ মুদ্ৰাস্ফীতিয়ে উৎপাদন বৃদ্ধিত অৰিহণা যোগায় ৷ এনে অপূৰ্ণ নিয়োগৰ সময়ত দৰস্তৰ লাহে লাহে বাঢ়ি থাকিলে লাভৰ পৰিমাণ বাঢ়ে ৷ কাৰণ আগতে চুক্তি কৰা মজুৰি , সুদ আৰু কেচামাল ব্যৱহাৰ কৰি উৎপাদিত পণ্য পিছত মুদ্ৰাস্ফীতিৰ সময়ত বৰ্ধিত দামত বিক্ৰী কৰি অধিক লাভবান হয় ৷ তেওঁলোকৰ আয় আৰু সঞ্চয় বাঢ়ে ৷ তেতিয়া অধিক পুঁজি বিনিয়োগ কৰিবলৈ অনুপ্ৰেৰণা আহে ৷ ফলত নিয়োগ ব্যৱস্থা , উৎপন্ন , জাতীয় আয় , জীৱন নিৰ্বাহৰ মান উৰ্ধ্বমুখী হয় ৷ অৰ্থ ব্যৱস্থা এইদৰে গতি কৰি থাকিলে আৰ্থিক প্ৰগতি বাঢ়ে ৷ এনে

ব্যৱস্থা উপাদানবোৰৰ পূৰ্ণ নিয়োগ প্ৰাপ্তিলৈ শুভ ফলদায়ক কিন্তু পূৰ্ণ নিয়োগৰ পিছত মুদ্ৰাস্ফীতি ক্ষতিকাৰক ।

৩। উত্তমৰ্ণ/পাওনাদাৰ বা অৰ্ধমৰ্ণ/দেনাদাৰৰ ওপৰত মুদ্ৰাস্ফীতিৰ ক্ৰিয়া লিখা ।

উত্তৰঃ পাওনাদাৰ বা উত্তমৰ্ণই দীঘলীয়া চুক্তিত ঋণ প্ৰদান কৰি স্থিৰ হাৰত সুত পায় । পাওনাদাৰে ঋণ দিয়া সময়ত মুদ্ৰাৰ ক্ৰয়শক্তি অধিক থাকে । কিন্তু অধমৰ্ণ বা ধৰুৱাই সুত আৰু মূল পৰিশোধ কৰোতে নিৰ্দিষ্ট সংখ্যক মুদ্ৰা দিলেও সেইবোৰৰ বিনিময়ত পোৱা বস্তুৰ পৰিমাণ আগতকৈ কম হয় । এনে পৰিস্থিতিত অধমৰ্ণ লাভৱান আৰু উত্তমৰ্ণ ক্ষতিগ্ৰস্থ হয় ।

৪। বাণিজ্য চক্ৰৰ অৰ্থ প্ৰকাশ কৰা ।

উত্তৰঃপুজিবাদী অৰ্থ ব্যৱস্থাত আৰ্থিক কাম-কাজ সদায় এটা স্থিৰ গতিত নচলে । কোনো সময়ত অৰ্থনৈতিক কাৰ্যকলাপৰ একেবাৰে মন্দাৱস্থা হয় আৰু আনহাতে আন সময়ত একেবাৰে সমৃদ্ধ অৱস্থা পায় । এইদৰে অৰ্থনৈতিক কাৰ্যকলাপ বিলাকৰ সদায় উত্থান - পতন হৈ থাকে । এই উত্থান - পতন বিলাক চক্ৰাকাৰে পৰিৱৰ্তন হয় । অৰ্থাৎ কোনো সময়ত পতন হলে তাৰ পাছতে আকৌ উত্থান হয় । ইয়াকে বাণিজ্য চক্ৰ বুলি কোৱা হয় ।

## ( গ ) দীঘলীয়া প্ৰশ্নৰ উত্তৰ :

১। মুদ্ৰাস্ফীতি কাক বোলে ? অৰ্থ ব্যৱস্থাত ইয়াৰ প্ৰতিক্ৰিয়া বৰ্ণনা কৰা ।

উত্তৰঃ সাধাৰণ অৰ্থত প্ৰায় সকলো বস্তুবাহিনীৰ দৰ কম বেছি পৰিমাণে অবিৰতভাৱে উৰ্ধ্বমুখী হৈ থাকিলে তেনে পৰিস্থিতিক মুদ্ৰাস্ফীতি বুলিব পাৰি । অৰ্থনীতিবিদ ক্ৰাউথাৰৰ মতে , “ মুদ্ৰামূল্য কমি গৈ দৰস্তৰ বৃদ্ধি পোৱা পৰিস্থিতিয়ে হ’ল মুদ্ৰাস্ফীতি । ” অধ্যাপক পিগুৰ মতে— “

বস্তুগত আয় উপাৰ্জনৰ অনুপাত মুদ্ৰাগত আয়ৰ সম্প্ৰসাৰণ অধিক হলে মুদ্ৰাস্ফীতি বিৰাজ কৰে।” মুদ্ৰাস্ফীতিৰ ফলত অৰ্থ ব্যৱস্থাত পৰিৱৰ্তন ঘটে আৰু ইয়াক মূলতঃ দুটা ভাগত ভাগব পাৰি। যেনে –

( ক ) উৎপাদনৰ ওপৰত। আৰু

( খ ) বন্টনত মুদ্ৰাস্ফীতিৰ ফলাফল।

( ক ) উৎপাদনৰ ওপৰত মুদ্ৰাস্ফীতিৰ প্ৰভাৱঃ অৰ্থ ব্যৱস্থাৰ ভূমি , শ্ৰমিক , পুঁজি আদিৰ সম্পূৰ্ণ নিয়োগ পোৱাৰ পূৰ্বে মৃদুগতিৰ মুদ্ৰাস্ফীতিয়ে উৎপাদন বৃদ্ধিত অৰিহণা যোগায়। এনে অপূৰ্ণ নিয়োগৰ সময়ত দৰস্তৰ লাহে লাহে বাঢ়ি থাকিলে লাভৰ পৰিমাণ বাঢ়ে। কাৰণ আগতে চুক্তি কৰা মজুৰি , সুদ আৰু কেঁচামাল ব্যৱহাৰ কৰি উৎপাদিত পণ্য পিছত মুদ্ৰাস্ফীতিৰ সময়ত বৰ্ধিত দামত বিক্ৰী কৰি অধিক লাভৱান হয়। তেওঁলোকৰ আয় আৰু সঞ্চয় বাঢ়ে। তেতিয়া অধিক পুজি বিনিয়োগ কৰিবলৈ অনুপ্ৰেৰণা আহে। ফলত নিয়োগ ব্যৱস্থা উৎপন্ন , জাতীয় আয় জীৱন নিবাহৰ মান উৰ্ধমুখী হয়। আগতে কামত নিয়োজিত নোহোৱা উপাদান ব্যৱহাৰৰ ফলত সেইবোৰৰ আয় বাঢ়িলে চাহিদাও বাঢ়ে। চাহিদা বাঢ়িলে দাম বাঢ়ে। অৰ্থব্যৱস্থা এইদৰে গতি কৰি থাকিলে আৰ্থিক প্ৰগতি বাঢ়ে। এনে ব্যৱস্থা উপাদানবোৰৰ পূৰ্ণ নিয়োগ প্ৰাপ্তিলৈ শুভ ফলদায়ক। কিন্তু পূৰ্ণ নিয়োগৰ পিছত মুদ্ৰাস্ফীতি ক্ষতিকাৰক।

( খ ) বন্টনত মুদ্ৰাস্ফীতিৰ প্ৰভাৱঃ সুদীৰ্ঘকাল মুদ্ৰাস্ফীতি চলি থাকিলে তাৰ প্ৰতিক্ৰিয়া বিতৰণ ব্যৱস্থাত বাৰুকৈ পৰে। ই বিতৰণ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন কৰে। মুদ্ৰাস্ফীতিৰ সংঘাতত কিছুমান লোক বিনা কষ্টে ঐশ্বৰ্মশালী হয়। আনহাতে , বিন্না দোষে কিছুমান লোক দুৰ্দশাৰ দুখ - দুৰ্গতি বাঢ়ে। মুদ্ৰাস্ফীতিৰ ফলত সমাজত নৈতিকতাৰ পতন ঘটে আৰু শ্ৰেণীসংগ্ৰাম আৰম্ভ হয়। অৱশ্যে এক শ্ৰেণীৰ লোক মুদ্ৰাস্ফীতিৰ সময়ত বিশেষ লাভৱান নহয় বা বিশেষ ক্ষতিৰ সন্মুখীন নহয়। বিভিন্ন শ্ৰেণীৰ লোকৰ ওপৰত মুদ্ৰাস্ফীতিৰ প্ৰভাৱৰ আভাষ - দাঙি ধৰা হ’ল।

( a ) কৃষকঃ মুদ্ৰাস্ফীতিৰ সময়ত আঢ্যবস্ত কৃষকসকল কিছু পৰিমাণে হ'লেও লাভন হয় । আঢ্যবস্ত কৃষকে উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰা পুঁজিৰ সুদ , শ্ৰমিক বেতন , কেঁচামালৰ দাম আদি আগতে কৰা চুক্তি মতে দিয়ে । ফচল চপোৱা সময়ত দামৰ স্তৰ বেছি হোৱাত পণ্য বিক্ৰী কৰি লাভৱান হয় । অৱশ্যে ঔদ্যোগিক বস্তুৰ দাম মুদ্ৰাস্ফীতিৰ সময়ত কৃষিজাত দ্ৰব্যতকৈ অধিক বঢ়া হেতুকে কিছু ক্ষতিৰ সন্মুখীন হয় । অৱশ্যে আঢ্যবস্ত কৃষকৰ লাভৰ তুলনাত লোকচান কম হয় । কিন্তু উপান্ত কৃষকসকলে বিক্ৰী কৰিবলৈ ৰাহি ফচল উৎপাদন কৰিব নোৱাৰে । তেওঁলোকে মুদ্ৰাস্ফীতিৰ সময়ত অধিক দামত ঔদ্যোগিক পণ্য ক্ৰয় কৰিবলগীয়া হোৱাত কিছু লোকচানৰ সন্মুখীন হয় ।

( b ) উদ্যোক্তা আৰু ব্যৱসায়ী :- মুদ্ৰাস্ফীতিৰ সময়ত উদ্যোক্তা আৰু ব্যৱসায়ী অধিক লাভৱান হয় দৰস্তৰ কম থকা সময়ত চুক্তি কৰি ব্যৱহাৰ কৰা শ্ৰমিক , পুঁজি আদিৰ সহায়ত পণ্য উৎপাদন কৰে । কিন্তু সেই পণ্য পিছত বৰ্ধিত দামত বিক্ৰী কৰি লাভৱান হয় । ব্যৱসায়ীসকলে আগৰ চুক্তিমতে বৰ্ধিত দামত সেই পণ্য বিক্ৰী কৰি অধিক লাভৱান হয় । পণ্য মজুত কৰণৰ বাবেও তেওঁলোক লাভৱান হয় ।

( c ) বিনিয়োগকাৰীঃ মুদ্ৰাস্ফীতিৰ সময়ত উদ্যোগৰ অধিক লাভ হয় । তেতিয়া অংশ পুঁজিত বিনিয়োগ কাৰীসকলে বেছি পৰিমাণে লভ্যাংশ পাই লাভৱান হয় । আনহাতে , স্থিৰ হাৰ সুদৰ ঋণদাতাসকলে মুদ্ৰাস্ফীতিৰ সময়ত কম ক্ৰয় শক্তিযুক্ত সুত পাই লোকচানৰ সন্মুখীন হয় । কাৰণ দৰস্তৰ বৃদ্ধি হলেও ঋণদাতাসকলে পূৰ্বৰ চুক্তিমতে সুত পায় ।

( d ) মজুৰি - বেতনভোগী :- মুদ্ৰাস্ফীতিৰ সময়ত দৰস্তৰ বাঢ়ি জীৱন নিৰ্বাহৰ খৰচ বাঢ়ে । আনহাতে মুদ্ৰামুল্য হ্ৰাস হৈ স্থিৰ আয়ৰ লোকসকলৰ ক্ৰয়শক্তি কমি পণ্যৰ সংগ্ৰহ কমে । তেতিয়া শ্ৰমিকৰ প্ৰকৃত আয় পৰোক্ষভাবে কমি যায় । তেওঁলোক ক্ষতিৰ সন্মুখীন হয় । শ্ৰমিক সংঘৰ হেঁচাত মজুৰি কিছু বাঢ়িলে তেওঁলোক ক্ষতি পূৰণ নহয় ।

( e ) চৰকাৰ :- দস্থৰ বৃদ্ধি হৈ থকা সময়ত চৰকাৰৰ খৰচ বাঢ়ে । কিন্তু জনসাধাৰণৰ আয় উপাৰ্জন বৃদ্ধি আৰু বস্তুবাহিনীৰ উৎপাদন আৰু বিক্ৰী বৃদ্ধি হেতুকে অধিক কৰ - কাটল সংগ্ৰহ কৰিব পাৰে । গতিকে চৰকাৰ লাভ লোকচানৰ মধ্যস্থলত থাকে । কিন্তু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত চৰকাৰ জুৰুলা হয় ।

( f ) উত্তমৰ্ণ-অধপৰ্ণ ( পাওনাদাৰ - দেনাদাৰ ) :- পাওনাদাৰ বা উত্তমৰ্ণই দীঘলীয়া চুক্তিত ঋণ প্ৰদান কৰি স্থিৰ হাৰত সুত পায় । পাওনাদাৰে ঋণ দিয়া সময়ত মুদ্ৰাৰ ক্ৰয়শক্তি অধিক থাকে । কিন্তু অধমৰ্ণই বা ধৰুৱাই সুত আৰু মূল পৰিশোধ কৰোঁতে নিৰ্দিষ্ট সংখ্যক মুদ্ৰা দিলেও সেইবোৰৰ বিনিময়ত পোৱা বস্তুৰ পৰিমাণ আগতকৈ কম হয় । এনে পৰিস্থিতিত অবমৰ্ণ লাভৱান আৰু উত্তমৰ্ণ ক্ষতিগ্ৰস্ত হয় ।

( g ) ভোক্তা সকল :- পণ্যৰ দাম বাঢ়ি থকা অৱস্থাত ভোক্তাই ব্যয় কৰা মুদ্ৰাই আগৰ তুলনাত কম বস্তু সংগ্ৰহ কৰে । গতিকে প্ৰকৃত ভোগ হ্ৰাস পাই ভোক্তা ক্ষতিগ্ৰস্থ হয় । আনহাতে মুদ্ৰাস্ফীতিৰ সময়ত মজুতকৰণ , ভেজালকৰণ আদি কাৰণে ভোক্তা নানা প্ৰকাৰে জুৰুলা হয় ।

( h ) স্থিৰ উপাৰ্জনকাৰী :- ঘৰভাৰা , পেন্সন , সুত আদি স্থিৰ আয়ৰ লোক মুদ্ৰাস্ফীতিৰ সময়ত ক্ষতিগ্ৰস্থ হয় ।

২ । বিনিময় প্ৰথাৰ প্ৰধান অসুবিধাবোৰ আলোচনা কৰা ।

উত্তৰঃ বিনিময় প্ৰথা তথা প্ৰত্যক্ষ বিনিময় প্ৰথাৰ প্ৰধান অসুবিধাবোৰ তলত আলোচনা কৰা হ'ল —

( ক ) অভাৱৰ সংগতিহীনতা :- অভাৱৰ সংগতিহীনতা বিনিময় প্ৰথাৰ এক প্ৰধান অন্তৰায় , কিয়নো দুজন ব্যক্তিৰ মাজত বস্তুৰ বিনিময় হ’বলৈ হ'লে পৰস্পৰ এজনৰ বস্তু আনজনৰ অভাৱ পূৰণ কৰিব পৰা হ'ব লাগিব অথাৎ অভাৱৰ সংগতি থাকিব লাগিব । তেতিয়াহে তেওঁলোকৰ মাজত বিনিময় সম্ভৱ হ'ব । উদাহৰণস্বৰূপে কৃষকে নিজৰ চাউলৰ সলনি কাপোৰ বিনিময় কৰিব বিচাৰিলে তেওঁৰ অভাৱ পূৰণ

কৰিব পৰা কাপোৰ বোৱা শিপিনী বিচাৰি পাব লাগিব আৰু সেই শিপিনীয়েও নিজৰ কাপোৰৰ সলনি কৃষকৰ চাউল পছন্দ কৰি বিনিময় কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিব লাগিব তেতিয়াহে সম্ভৱ হ'ব । বস্তুৰ সংখ্যা, বজাৰৰ পৰিসৰ আৰু বিনিয়োগকাৰীৰ সম্প্ৰসাৰণৰ কাৰণে অভাৱৰ সংগতিহীনতাই লেনদেন নিস্পত্তি কৰাত বহুত অসুবিধাৰ সৃষ্টি কৰিছিল । কিন্তু মুদ্ৰা প্ৰৱৰ্তনৰ ফলত বিনিময় প্ৰথাৰ অভাৱৰ সংগতিহীনতাৰ অসুবিধা আঁতৰ হয় ।

( খ ) মূল্যৰ উমৈহতীয় জোখৰ অভাৱঃ বিনিময় কাৰীৰ মাজত অভাৱৰ সংগতি থাকিলেও বিনিময় কাৰ্য সম্পন্ন কৰাত অসুবিধাই দেখা দিয়ে । কাৰণ পণ্যবস্তু সমূহৰ কোনো উমৈহতীয়া জোখৰ অভাৱ । উদাহৰণস্বৰূপে কৃষকৰ চাউলৰ প্ৰয়োজন থকা শিপিনী বিচাৰি পাইছে আৰু সেই শিপিনীয়েও চাউল ল’বলৈ ইচ্ছা প্ৰকাশ কৰিলেও চাউল আৰু কাপোৰৰ মাজত নিৰ্দিষ্ট কোনো অনুপাত নথকাত বিনিময় কৰাত অসুবিধাই দেখা দিয়ে কিয়নো কিমান পৰিমাণৰ চাউলৰ সলনি কিমান পৰিমাণৰ বা কেনে ধৰণৰ কাপোৰ সলনি কৰিব ইয়াক লৈ সমস্যা সৃষ্টি হোৱা দেখা যায় । ইয়াৰ ফলত দুবিধ বস্তুৰ বিনিময় অনুপাত একে ঠাইতে একে সময়তে ভিন ভিন বিনিময় কাৰীৰ মাজত ভিন ভিন হোৱা দেখা যায় । কিন্তু মুদ্ৰা প্ৰচলন হোৱাত অসুবিধা আঁতৰ হ'ল । কাৰণ মুদ্ৰাই সকলো মূল্যৰ উমৈহতীয়া জোখৰ কাম কৰে ।

( গ ) অবিভাজ্যৰ অসুবিধা :- বিনিময়কাৰীৰ মাজত অভাৱৰ সংগতি আৰু সলনি অনুপাত স্থিৰ হ'লেও কিছুমান বস্তুৰ ক্ষেত্ৰত আন অসুবিধাই দেখা দিয়ে । যেনেঃ গৰু , ছাগলী , গাহৰি আদি কিছুমান বস্তু ভাগ বিভাগ কৰা অসুবিধা । কিয়নো পশু পালক এজনে ছাগলী এটাৰ বিনিময়ত কৃষকৰ ধান বা শিপিনীৰ কাপোৰ ল'বলৈ হ'লে গৰু ছাগলী বা গাহৰি ইত্যাদি ভাগ কৰি কৃষক বা শিপিনীক দিয়া অসুবিধাজনক , কাৰণ এইবোৰক ভাগ কৰিলে সি জন্তু হৈ নাথাকে , বৰং মাংস পিণ্ডত পৰিণত হ'ব । কৃষক বা শিপিনীয়ে ছাগলী বা গৰু গাহৰি ল'বলৈ ইচ্ছা কৰিলেও মাংস অনিচ্ছুক হ’ব ফলত বিনিময় সম্ভৱ নহ'ব । অৰ্থাৎ অবিভাজ্যতা বিনিময় প্ৰথাৰ এক বৃহৎ অন্তৰায় । কিন্তু মুদ্ৰাৰ প্ৰৱৰ্ত্তনৰ ফলত এই অসুবিধা আঁতৰ হয় ।

( ঘ ) সঞ্চয়ৰ অসুবিধা :- পণ্য বিনিময় প্ৰথাৰ অন্য এক প্ৰধান অন্তৰায় হৈছে সঞ্চয়ৰ অসুবিধা । মানুহে আয় উপাৰ্জন কেৱল উৎকালীন ব্যৱহাৰৰ বাবেই নকৰি ভবিষ্যতে দেখা দিব পৰা আপদৰ কাৰণেও কিছু অংশ সঞ্চয় কৰিব বিচাৰে । কিন্তু বিনিময় প্ৰথাত এইটো সম্ভৱ হোৱা নাছিল । এই প্ৰথাত সঞ্চয় কৰিবলৈ হ'লে জীৱ - জন্তু , ধান , সৰিয়হ , শাক পাচলি ইত্যাদি পণ্য সমূহ সঞ্চয় কৰি ৰাখিব লাগিব । কিন্তু এইবোৰ সঞ্চয় কৰি ৰখাটো অসুবিধাজনক । জীৱ - জন্তু বেমাৰ আজাৰ হৈ মৰি যায় , শাক পাচলি আদি অতি সোনকালে নষ্ট হয় । ধান, সৰিয়হ আদি পোকে খাই নষ্ট কৰে । অৰ্থাৎ ভবিষ্যত বিপদ - আপদৰ কাৰণে , দীৰ্ঘকালীন সময়ৰ কাৰণে সঞ্চয় কৰিব নোৱাৰি । কিন্তু মুদ্ৰা প্ৰচলন হোৱাত সঞ্চয়ৰ অসুবিধা দূৰ হয় ।

৩। বাণিজ্য চক্ৰ কাক বোলে ? বাণিজ্য চক্ৰৰ পৰ্য্যায়বোৰৰ চমু আভাষ দিয়া ।

উত্তৰঃ পুঁজিবাদী অৰ্থব্যৱস্থাত আৰ্থিক কাম - কাজ সদায় এটা স্থিৰ গতিত নচলে । কোনো সময়ত অৰ্থনৈতিক কাৰ্যকলাপৰ একেবাৰে মন্দাবস্থা হয় আৰু আনহাতে আনসময়ত একেবাৰে সমৃদ্ধ অৱস্থা পায় । এইদৰে অৰ্থনৈতিক কাৰ্যকলাপ বিলাকৰ সদায় উত্থান - পতন হৈ থাকে । এই উত্থান - পতন বিলাক চক্ৰাকাৰে পৰিৱৰ্তন হয় । অৰ্থাৎ কোনো সময়ত পতন হলে তাৰ পাছতে আকৌ উত্থান হয় । ইয়াকে বাণিজ্য চক্ৰ বুলি কোৱা হয় ।

লক্ষণঃ ( ক ) ই সৰ্বব্যাপক অৰ্থাৎ সমৃদ্ধি বা মন্দাৱস্থা অৰ্থব্যৱস্থাৰ এক খণ্ডত আৰম্ভ হলে , ই আন খণ্ডবোৰলৈ বিয়পি পৰে ।

( খ ) বাণিজ্য চক্ৰ ঢৌৰ দৰে বিয়পি পৰে । এটা বাণিজ্য চক্ৰ আন এটাৰ লগত প্ৰায় মিল দেখা যায় ।

( গ ) সকলো উদ্যোগ বাণিজ্য চক্ৰৰ প্ৰভাৱত পৰিলেও সমৃদ্ধি আৰু মন্দা পৰ্য্যায়ত ভিন , ভিন শ্ৰেণীৰ উদ্যোগত হোৱা সংঘাত ভিন ভিন হয় ।

( ঘ ) বাণিজ্য চক্ৰ এখন দেশতে সীমিত হৈ নাথাকে। ইয়াৰ প্ৰভাৱ এখন দেশৰ পৰা আন দেশলৈ বিয়পি যায়।

( ঙ ) সমৃদ্ধি পৰ্য্যায়ত মন্দাৱস্থাৰ অংকুৰণ হ'লেও সাধাৰণতে সমৃদ্ধি পৰ্য্যায়ৰ সময় মন্দাৱস্থাৰ দুগুণ হয়।

বাণিজ্য চক্ৰৰ পৰ্য্যায় বা স্তৰ সমূহ হল –

( i ) পুনৰুত্থানঃ মন্দাৱস্থাত আৰ্থিক কাম-কাজৰ গতি অধিক নিম্নমুখী হোৱাৰ সম্ভাৱনা নাইকীয়া হোৱাত নিশকতীয়া অৰ্থ ব্যৱস্থাত আশাৰ সঞ্চাৰ হয়। অৰ্থাৎ কিছুমান লোক - ক্ৰমাৎ আশাবাদী হ'বলৈ ধৰে। মন্দাৱস্থাত নিবনুৱা হৈ থকা শ্ৰমিক , কেঁচামাল , পুঁজি আদিৰ প্ৰাচ্ছৰ্য্য ঘটে। এনে পৰিস্থিতি বিনিয়োগৰ কাৰণে সুচল হয়। এক শ্ৰেণীৰ উদ্যোক্তাই এনে সুযোগ গ্ৰহণ কৰে। তেওঁলোকে পুৰণি উদ্যোগৰ মেৰামতি বা নতুন উদ্যোগৰ কাম হাতত লয়। তেতিয়া ধীৰে ধীৰে আৰ্থিক উদ্যোক্তা কৰ্মমুখৰ হৈ পৰে। এনে পৰিস্থিতিকে পুনৰুত্থান বোলে। এই ব্যৱস্থাত কিছুমান খণ্ডৰ উৰ্দ্ধমুখী গতি দেখি , অন্যান্য উদ্যোক্তাই তাক অনুসৰণ কৰে , ফলত নিয়োগ , উৎপাদন , চাহিদা , দৰস্তৰ , আয় , মুনাফা , সঞ্চয় , বিনিয়োগ , সুতৰ হাৰ আদি বাঢ়ি সমৃদ্ধি পৰ্য্যয়লৈ গতি কৰে।

( ii ) সমৃদ্ধি বা প্ৰাচুৰ্য্য :- পুনৰুত্থান পৰ্য্যায়ৰ পৰা ক্ৰম্যং আৰ্থিক কাম - কাজ সম্প্ৰসাৰিত হৈ থাকে। অৰ্থাৎ মন্দাৱস্থাৰ পৰা আৰোগ্য লাভ হোৱাৰ পিছৰ পৰাই অৰ্থব্যৱস্থাৰ যি উৰ্দ্ধমুখী সম্প্ৰসাৰণ আৰম্ভ হয় তাকে সমৃদ্ধিৰ আৰম্ভণি বুলিব পাৰি। এই পৰ্যয়ত বিনিয়োগ আৰু উৎপাদন সৰ্বাধিক হয়। জনসম্বল পূৰ্ণ নিয়োগ হয়। আয় বঢ়াৰ লগে লগে চাহিদা বৃদ্ধি হয়। দৰস্তৰ উৰ্দ্ধমুখী হয়। লগতে মুনাফা বাঢ়ে। ফলত বিনিয়োগ , নিয়োগ , উৎপাদন , আয় , চাহিদা পুনৰ বৃদ্ধি হয়। এইদৰে আৰ্থিক কাম - কাজত দ্ৰুত গতিত সম্প্ৰসাৰিত হয়। এনে সম্প্ৰসাৰণ এটা সীমালৈ চলিব পাৰে। এই সীমা অতিক্ৰম কৰিলে

অহেতুক প্ৰতিযোগিতা আৰম্ভ হয় , ফলত অৰ্থব্যৱস্থাত সংকট অংকুৰিত হয় ।

( iii ) অৱনতি বা স্থবিৰতা :- সমৃদ্ধিৰ সময়ছোৱাত বিনিয়োগ , উৎপাদন , নিয়োগ আদিয়ে সৰ্বোচ্চ সীমা পায় । তেতিয়া কেঁচামাল , শ্ৰমিক , মূলধন আদিৰ বাবে তীব্ৰ প্ৰতিযেগিতা চলে । এনে পৰিস্থিতিত উৎপাদন ব্যয় বাঢ়ে । ফলত মুনাফাৰ পৰিমাণ হ্ৰাস হয় । আনহাতে পণ্যবস্তুৰ উভৈনদী হোৱা বজাৰত আৰু অধিক পণ্য বিক্ৰীৰ সম্ভাৱনা নাইকীয়া হয় । তেতিয়া উদ্যোগপতি আৰু ব্যৱসায়ীয়ে নিজৰ ভূল বুজিব পাৰে । নতুন বিনিয়োগৰ সুচলতা বন্ধ হয় । তেতিয়াই নৈশ্যই দেখা দিয়ে । নিৰাশাবাদী ব্যৱসায়ীয়ে ক্ৰমাৎ উৎপাদন কমাবলৈ আৰম্ভ কৰে । উৎপাদনৰ লগে লগে নিয়োগ , আয় , চাহিদা আদি হ্ৰাস হৈ স্থৱিৰতা আহি পৰে । দৰস্তৰ দ্ৰুতগতিত নিম্নমুখী হয় । পৰিস্থিতি কিছুদিন চলাৰ পিছত ব্যৱসায় বাণিজ্য সংকোচন আৰম্ভ হয় । লগে লগে মন্দাৱস্থাই বিৰাজ কৰে ।

( iv ) মন্দাৱস্থাঃ ব্যৱসায় - বাণিজ্যত কিছুদিন স্থবিৰতা চলি থকাৰ পিছত সংকোচন আৰম্ভ হয় । তেতিয়া আৰ্থিক কাৰ্যকলাপ পূৰ্বৰ স্বাভাৱিক অৱস্থাৰ পৰা ক্ৰমে অস্বাভাৱিক ভাৱে নিম্নমুখী হয় । এনে মন্দাৱস্থাৰ আৰম্ভণি । ক্ৰমাৎ উৎপাদন কৰ্তন হয় । বিনিয়োগ হ্ৰাস পায় । নিবনুৱা সমস্যাৰ সৃষ্টি আৰু বৃদ্ধি হয় । ভোক্তাৰ উপাৰ্জন কম হোৱা কাৰণে সক্ৰিয় চাহিদা হ্ৰাস হয় । তেতিয়া দৰস্তৰে নিম্নমুখী গতি কৰে । ফলত মুনাফা কমি যায় । অৰ্থ ব্যৱস্থাৰ নিয়োগ , বিনিয়োগ , উৎপাদন, সুতৰ হাৰ , চাহিদা , বিক্ৰী আয় , মুনাফা চক্ৰাকাৰ গতিত হ্ৰাস হয় । ব্যৱসায় বাণিজ্যত নৈৰাশ্যই ছানি ধৰে । মন্দাৱস্থা প্ৰথমে উদ্যোগ খণ্ডত আৰম্ভ হৈ কৃষিখণ্ডলৈ বিয়পি পৰে । নিবনুৱা সমস্যাই প্ৰকট ৰূপ ধাৰণ কৰে । অৱশ্যে মুদ্ৰামূল্য বৃদ্ধি হয় । এই মন্দাৱস্থা কিছুদিন চলাৰ পিছত , পুনৰুত্থান বীজৰ অংকুৰণ হয় ।